...নটোৰ বাণী

...া প্ৰতিভা বা বুদ্ধিবৃত্তিৰ
আটাইতকৈ বেছি জ্ঞান
...হৰণ কৰিব পাৰে।

— ক্ল'ড বাৰ্নাৰ্ড

# অসম আদিত্য

RNI REGN. No...
epaper...
Portal : w...
e-mail : as...

আহাৰ গ্ৰহণ ক...
সুচল হৈ প...
থকাসকলক...
যুঁজিবলৈ শ...
শ্বাসতন্ত্ৰৰ ...

...বছৰ ■ সংখ্যা ৪০ ■ ২৯ মাঘ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ১২ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Thursday, February 12, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকা...

### ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাহৰ উৎসৱত বিশিষ্ট সাহিত্যিক ড° শশীকান্ত শইকীয়া

# চিন্তা কৰিব জনা জাতিয়ে নেতৃত্ব দিব পাৰে বিশ্বক

**ডিব্ৰুগড়, ১১ ফেব্ৰুৱাৰী :** যি জাতিয়ে পঢ়া-শুনা কৰে, সেই জাতিয়ে চিন্তা কৰিব জানিব। যি জাতিয়ে চিন্তা কৰিব জানে সেই জাতিয়ে বিশ্বক নেতৃত্ব দিব পাৰে। বিশ্বৰ উন্নত দেশসমূহলৈ মন কৰিলেই তেওঁলোকৰ জ্ঞান আহৰণৰ ভোক ইমান তীব্ৰ সেয়া জানিব পাৰি। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আছু গোট, ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিয়াল আৰু বৃহত্তৰ বৰপথাৰবাসীৰ সহযোগত ডিব্ৰুগড় বিশ্ববিদ্যালয় বজাৰ প্ৰাংগণত ১০ ফেব্ৰুৱাৰীৰ পৰা ১৬ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হোৱা নাহৰ গ্ৰন্থ উৎসৱ ২০১৬ৰ আজি দ্বিতীয় দিনা সন্ধ্যা মঞ্চ মুকলি কৰি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)ৰ অধ্যক্ষ, কৰ্মসূৰ্য, মাজুলী বন্ধু, দিনবন্ধু, ভৱিষ্যত ৰূপকাৰ ইত্যাদি উপাধিৰে সন্মানিত ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষগৰাকীয়ে দুটাকৈ যুৱ সংগঠনে গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ বাবে প্ৰশংসা আৰু ধন্যবাদ জ্ঞাপন কৰি কয়— এটা জাতি কিমান শক্তিশালী সেয়া তেওঁলোকৰ সৈন্য বাহিনীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ নকৰে। সেই জাতিটোৰ মানুহে কিমান গ্ৰন্থ অধ্যয়ন কৰে আৰু কিমান গ্ৰন্থ প্ৰকাশ কৰে তাৰ ওপৰতহে জাতিটোৰ সমৃদ্ধি জুখিব পাৰি বুলি উল্লেখ কৰি কয়— যুৱ সমাজৰ হাতত কিতাপ লোৱাৰ পৰিৱৰ্তে ম'বাইল নিচাত মগ্ন হ'লে বুজিব লাগিব সেই জাতিটোৰ বৌদ্ধিক মৃত্যু আৰম্ভ হৈছে। জাতি এটাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ হ'লে ঘৰে ঘৰে সৰু সৰু গ্ৰন্থাগাৰ গঢ়ি তুলিব লাগিব বুলি উল্লেখ কৰি তেওঁ কয়— জাতি এটা ধ্বংস কৰিবলৈ হ'লে কোনো শক্তিশালী বোমা-বাৰুদৰ প্ৰয়োজন নাই। মাথো এটাই কাম কৰা উচিত সেই জাতিটোৰ যুৱ-প্ৰজন্মক কিতাপৰ পৰা আঁতৰাই ৰখা। তেওঁ কয় যে কিতাপ কেৱল কিছুমান কাগজৰ আৰু চিয়াহীৰ সমষ্টি নহয়। কিতাপ হ'ল মানুহৰ অভিজ্ঞতা, দৰ্শন আৰু জ্ঞানৰ এক জীৱন্ত দলিল। অধ্যক্ষগৰাকীয়ে কয়— কিতাপ নপঢ়া মানুহ আৰু অশিক্ষিত মানুহৰ মাজত কোনো পাৰ্থক্য নাই। তেওঁ ফৰাচী বিপ্লৱৰ অন্যতম স্ৰষ্টা ভল্টেয়াৰ আৰু ৰুছোৰ লেখনি উল্লেখ কৰি ডাৰউইন আৰু কাৰ্লমাৰ্ক্সৰ জীৱনৰ দৰ্শন আৰু তেওঁলোকে লিখা গ্ৰন্থসমূহৰ বিষয়েও উল্লেখ কৰে। ইয়াৰ পূৰ্বে অধ্যক্ষগৰাকী ফুলাম গামোচা আৰু বিভিন্ন উপহাৰেৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত এখন বোলছবিও প্ৰদৰ্শন কৰা হয়। ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতিপ্ৰসাদ ফুকন, শিশু বন্ধু হিৰণ্য সেনাপতি, মইনা পাৰিজাতৰ ডিব্ৰুগড় জিলাৰ মামণি শৰ্মা, বিশ্ববিদ্যালয়ৰ আছু গোটৰ ভাৰপ্ৰাপ্ত সভাপতি পাপলু গগৈ, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰান্তৰ বৰদলৈ, ছাত্ৰ একতা সভাৰ সভাপতি আশিষ ভূষণ গগৈ, সাধাৰণ সম্পাদক মাধুৰ্য বৰা, পাৰ্থপ্ৰতিম গোহাঁই, ৰোহিত ৰহমান আৰু আয়োজক সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতিকে ধৰি প্ৰায় চাৰি শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অতিথি উপস্থিত থাকে।




## জকাই শৰাইঘাট